**REGIONAL News Unit**

All India Radio, Guwahati

0000000000

**Date : 29**-07-2024

**Time :** 1800Hrs.

***Assamese REGIONAL EVENING Bulletin***

:::::::::::::::::::::::::::::::::::

লোকসভাত আজিও ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে জাতি পিয়ল অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰাৰ লগতে কৃষকক উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য দিয়াৰ আইনী নিশ্চয়তা প্ৰদান কৰাৰ দাবী জনায়। তেওঁ কয় যে, এই সমৰ্থন মূল্যৰ ক্ষেত্ৰত আইনী নিশ্চয়তাই কৃষকসকলক নিশ্চিতভাৱে উপকৃত কৰিব। তেওঁ লগতে অগ্নিবীৰ আঁচনি সন্দৰ্ভতো প্ৰশ্ন তোলে। শ্ৰী গান্ধীয়ে ২০২৪-২৫ বৰ্ষৰ বাজেটে দেশৰ জনসংখ্যাৰ ৭৩ শতাংশ  সামৰি লোৱা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে কোনো উল্লেখযোগ্য প্ৰস্তাৱ দিয়া নাই বুলি অভিযোগ তোলে। তেওঁ লগতে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰসংগ উত্থাপন কৰি এনে ঘটনাই যুৱ প্ৰজন্মৰ ক্ষতি কৰে বুলি মন্তব্য কৰে। শ্ৰী গান্ধীৰ ভাষণ চলি থকাৰ সময়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে নেতাগৰাকীয়ে সদনৰ অধ্যক্ষৰ মৰ্যদা হানি কৰা বুলি কেইবাটাও মন্তব্যৰ বিৰোধিতা কৰে। আনহাতে গান্ধীয়ে উত্থাপন কৰা অগ্নিবীৰ আঁচনিৰ প্ৰসংগত প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে কয় যে, এই আঁচনি সম্পৰ্কত বিৰোধী দলৰ নেতাগৰাকীয়ে কেতবোৰ ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিছে আৰু তেওঁ এই সম্পৰ্কত সদনত আলোচনাৰ বাবে সাজু আছে। ইয়াৰ আগেয়ে সদনত আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টিৰ নিৰ্মল যাদবে শিক্ষাখণ্ডত বাজেটত আৱণ্টন ধাৰাবাহিকভাৱে হ্ৰাস পাইছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, দেশত নিবনুৱাৰ হাৰ ক্ৰমাৎ বৃদ্ধি পাইছে। নেত্ৰীগৰাকীয়ে অগ্নিবীৰ আঁচনিক লৈ প্ৰশ্ন তোলাৰ লগতে জাতি পিয়লৰ প্ৰসংগ উত্থাপন কৰে। ইয়াৰ বিপৰীতে বিজেপিৰ সুৰেশ কুমাৰ কাশ্যপে কয় যে, এইবাৰৰ বাজেটে দেশক উন্নয়নৰ ক্ষেত্ৰত নতুন গতি দিয়াৰ উপৰি আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত সহায় কৰিব। দেশৰ ২৫ কোটি লোকক চৰকাৰৰ বিভিন্ন আঁচনিয়ে দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০

আয়ুষ্মাণ ভাৰত ডিজিটেল মিছনৰ অধীনত জনসাধাৰণৰ বাবে আয়ুষ্মাণ ভাৰত হেল্থ একাউণ্ট সৃষ্টি কৰাৰ উদ্দেশ্যে আজি গোলাঘাট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত এটা অস্থায়ী শিবিৰ মুকলি কৰা হয়। স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত নন্দিতা বৰুৱাই শিবিৰটো মুকলি কৰে। শিবিৰ মুকলি কৰি অতিৰিক্ত আয়ুক্তগৰাকীয়ে আয়ুষ্মাণ ভাৰত হেলথ একাউণ্ট অৰ্থাৎ আভা নম্বৰৰ সুবিধা ল'বলৈ ৰাইজক আহ্বান জনায়। তেওঁ কয় যে, এই নম্বৰৰ জৰিয়তে যিকোনো ব্যক্তিৰ সকলো স্বাস্থ্য সম্পৰ্কীয় তথ্য আৰু নথি ডিজিটেল

মাধ্যমেৰে সংলগ্ন হৈ থাকে। এই নম্বৰ থাকিলে চিকিৎসালয়লৈ যাওতে চিকিৎসা সম্পৰ্কীয় নথিসমূহ কঢ়িয়াই নিয়াৰ সমস্যাৰ পৰা মুক্ত হৈ থাকিব পাৰি বুলি তেওঁ কয়। উল্লেখযোগ্য যে এই অস্থায়ী শিবিৰ আজিৰে পৰা ৩ আগষ্ট পৰ্যন্ত প্ৰতিদিনে পুৱা চাৰে ১০ বজাৰ পৰা বিয়লি তিনি বজালৈ মুকলি থাকিব।

০০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ প্ৰাকৃতিক বাসস্থান সুৰক্ষিত কৰাৰ বাবে এটা গোলকীয় প্ৰণালী গঢ়ি তোলা তথা বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতি বছৰে আজিৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বাঘ সংৰক্ষণ সন্দৰ্ভত সজাগতামূলক বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। আজিৰ দিনটোতে বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা কাজিৰঙাৰ চাৰিজন বনকৰ্মীয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। ৫৪ খন ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত কাজিৰঙাৰ চাৰিগৰাকী বনকৰ্মীয়ে নতুন দিল্লীত এই বঁটা গ্ৰহণ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে বৰ্তমান উদ্যানখনত ১০৪টা বাঘ থকাৰ কথা উল্লেখ কৰিছে। লগতে তেওঁ কয় যে, চলিত বৰ্ষত তিনিটা ভাগত একেলগে বাঘ গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত এই সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। উদ্যান কৰ্তৃপক্ষই বাঘ গণনাৰ বাবে নিৰ্দিষ্ট কৰিড'ৰ বাচনি কৰি সংস্থাপন কৰা কেমেৰাত এই বৰ্ষত ৪ লাখ ফটো লাভ কৰিছে। গঁড়কেন্দ্ৰিক পৰ্যটনৰ বাবে বিশেষ নাম থকা কাজিৰঙাত বাঘৰ সংখ্যা বৃদ্ধিয়েও পৰ্যটন ক্ষেত্ৰখনৰ প্ৰতি পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰিছে। একে সময়তে বাঘৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে জনাঞ্চললৈ বাঘ ওলাই যোৱাৰ সম্ভাৱনা ব্যক্ত কৰি এনেক্ষেত্ৰত উদ্যানৰ পৰা ওলাই যোৱা বাঘৰে মানুহৰ সংঘাত দূৰ কৰিবৰ বাবে উদ্যান কৰ্তৃপক্ষই সজাগতামূলক অনুষ্ঠান পাতিব বুলিও সঞ্চালকগৰাকীয়ে জনায়।

ইপিনে বিশ্ব ঐতিহ্যক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা বনাঞ্চলত দিনজোৱা কাৰ্যসূচীৰে আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস পালন কৰা হয়। ব্যাঘ্ৰ দিৱস উপলক্ষে চিত্ৰ প্ৰদৰ্শনী, বাঘ সংৰক্ষণ সন্দৰ্ভত আলোচনা চক্ৰৰ উপৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ বাবে কাম কৰি যোৱা কেইবাগৰাকী বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এই কাৰ্যসূচীত বিটিচিৰ বন বিভাগৰ বিষয়া সুমন মহাপাত্ৰ, প্ৰাক্তন ক্ষেত্ৰ সঞ্চালক হিৰণ্য শৰ্মাৰ লগতে কেইবাগৰাকী বন বিষয়া তথা বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

ঃসমাপ্তঃ